**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-11-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি নাগৰিককেন্দ্ৰিক সু-শাসনৰ উদ্দেশ্যে অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ আয়োগৰ কামকাজ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। এই উদ্দেশ্যে মহানগৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি বিয়লি চাৰে ৪ বজাত এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই আয়োগৰ জৰিয়তে জনসাধাৰণক শীঘ্ৰ সেৱা প্ৰদান, অনলাইন যোগে সেৱা প্ৰদান, স্বচ্ছতা আৰু দায়বদ্ধতা, আবেদনৰ ব্যৱস্থা, নাগৰিক সবলীকৰণ আৰু সু-শাসন প্ৰৱৰ্তনৰ লক্ষ্য গ্ৰহণ কৰা হৈছে।

আয়োগৰ অধীনত মুঠ ৪৪১টা নাগৰিককেন্দ্ৰিক সেৱাক অন্তৰ্ভুক্ত কৰা হৈছে। এই ক্ষেত্ৰত চিনাক্ত কৰা ৫ বিধ মূল সেৱা হ'ল বাহন চালনাৰ ন-শিকাৰুৰ অনুজ্ঞাপত্ৰ, নিয়োগ বিনিময় কেন্দ্ৰত আধাৰভিত্তিক পুনৰ পঞ্জীয়ন, ভূমিৰ স্বত্ব তথা চিটা বহী বা জমাবন্দীৰ প্ৰামাণিক নথি, জাতিগত প্ৰমাণপত্ৰ আৰু আয়ৰ প্ৰমাণপত্ৰ।

আজিৰ উদ্বোধনী অনুষ্ঠানত অসম ৰাজ্যিক ৰাজহুৱা সেৱা অধিকাৰ আয়োগৰ নৱ নিযুক্ত মুখ্য আয়ুক্ত অৱসৰপ্ৰাপ্ত আই পি এছ বিষয়া ড০ সুজয় লাল থাওছেন আৰু দুগৰাকী আয়ুক্ত ৰঞ্জন কুমাৰ চক্ৰৱৰ্তী আৰু বিমন চান্দ অছৱালেও অংশগ্ৰহণ কৰিব।

ooooo

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান আই আই টিত আজিৰে পৰা ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ ২০২৪ আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা পৰিষদ চি আই এছ আৰ, বিজ্ঞান প্ৰযুক্তি মন্ত্ৰালয় আৰু ভূ-বিজ্ঞান মন্ত্ৰালয়ৰ উদ্যোগত আয়োজিত এই বিজ্ঞান মহোৎসৱৰ দশম সংস্কৰণ এইবেলি উত্তৰ-পূৰ্বাঞ্চলত প্ৰথমবাৰৰ বাবে আয়োজন কৰা হৈছে।

এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সৈতে জড়িত বিভিন্ন চৰকাৰী বিভাগ আৰু সংস্থাসমূহে নিজ নিজ গৱেষণাৰ বিষয়ে প্ৰকাশ কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ বাবে এণ্টাৰ্কটিকাৰ বিজ্ঞানীসকলৰ সৈতে পোনপটীয়া মত বিনিময় অনুষ্ঠানৰো আয়োজন কৰা হৈছে। অহা ৩ ডিচেম্বৰত এই বিজ্ঞান মহোৎসৱৰ সামৰণি পৰিব।

ooooooo

দুদিনীয়া কাৰ্যসূচীৰে তিনিচুকিয়া জিলাত অসম বিধানসভাৰ ৰাজহুৱা হিচাপ নিৰীক্ষণৰ এটা দল উপস্থিত হয়। এই দলটোৱে জিলাখনত বিভিন্ন চৰকাৰী আঁচনি পৰ্যবেক্ষণ কৰাৰ লগতে অগ্ৰগতিৰ বিষয়েও বুজ ল'ব। দলটোৱে আজি জিলা প্ৰশাসনৰ সৈতেও পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰিব।

ooooooo

তিনিচুকীয়া জিলাৰ মাকুমৰ দ্বিতীয় অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ৰ সমীপত কালি সংঘটিত অগ্নিকাণ্ডত তিনিখন ক্ষুদ্ৰ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হোৱাৰ লগতে আন দুখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ সামান্য ক্ষয়-ক্ষতি হয়। ব্যৱসায়িক প্ৰতিষ্ঠানকেইখনৰ সমীপত জ্বলি থকা শুকান জাৱৰৰ দ'মৰ পৰা এই অগ্নিকাণ্ডৰ সূত্ৰপাত হয় বুলি স্থানীয় ৰাইজে জনাইছে। ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হোৱাৰ পূৰ্বেই স্থানীয় ৰাইজে জুই নিৰ্বাপন কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ পুৰণি টেলিফোন নম্বৰ ২৬৬০৪২৬ বাহাল কৰা হৈছে। দীৰ্ঘদিন ধৰি এই টেলিফোন নম্বৰটো বিকল হৈ থকাৰ বাবে বাতৰি বিভাগ, আমাৰ সংবাদদাতাসকল আৰু আমাৰ শ্ৰোতাসকল যথেষ্ট আহুকালৰ সন্মুখীন হ'বলগীয়া হৈছিল। ভাৰত সঞ্চাৰ নিগম লিমিটেড চমুকৈ বি এছ্ এন এলৰ অধীনৰ এই টেলিফোন নম্বৰলৈ মোবাইল ফোনৰ পৰা ০৩৬১- এই কোড ব্যৱহাৰ কৰি ডায়েল কৰিব লাগিব। সংবাদদাতা আৰু সৰ্বসাধাৰণ ৰাইজে ০৩৬১-২৬৬০৪২৬ নম্বৰত টেলিফোন কৰি যিকোনো বাতৰি আৰু মত-অভিমত জনাব পাৰিব।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০